# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 8-10-2024
**Time :** 0705 hrs

## *Assamese Morning Bulletin*

# HEADLINES

১। চৰকাৰৰ মুৰব্বী হিচাপে ২৩ বছৰ সম্পূৰ্ণ কৰা সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, বিগত বছৰবোৰৰ শিক্ষাই দেশক অগ্ৰণী ভূমিকা লোৱাৰ ক্ষেত্ৰত সক্ষম কৰি তুলিছে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত ২০২২ বৰ্ষৰ বাবে ৭০ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাসমূহ প্ৰদান কৰিব।

৩। জম্মু-কাশ্মীৰ আৰু হাৰিয়ানাত শেহতীয়াকৈ অনুষ্ঠিত বিধানসভা নিৰ্বাচনৰ ভোটগণনা আজি অনুষ্ঠিত হ'ব।

৪। কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে কালি মুম্বাইৰ কান্দিৱালীত এটা দক্ষতা বিকাশ কেন্দ্ৰ মুকলি কৰে।

*আৰু*

৫। ভাৰতীয় পুৰুষ দলটো চলিত টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত কাইলৈ বাংলাদেশৰ মুখামুখি হ'ব।

০০০০০

চৰকাৰৰ মুৰব্বী হিচাপে ২৩ বছৰ সম্পূৰ্ণ কৰা সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, বিগত বছৰবোৰৰ শিক্ষাই দেশক অগ্ৰণী ভূমিকা লোৱাৰ ক্ষেত্ৰত সক্ষম কৰি তুলিছে, যিয়ে ৰাষ্ট্ৰীয় আৰু গোলকীয় প্ৰেক্ষাপটত বিশেষ প্ৰভাৱ পেলাইছে। সামাজিক মাধ্যমৰ এলানি পোষ্টত শ্ৰী মোদীয়ে জনসাধাৰণক তেওঁলোকৰ আশীৰ্বাদ আৰু শুভকামনাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ কয় যে, ২০০১ চনৰ ৭ অক্টোবৰত তেওঁ গুজৰাটৰ মুখ্যমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিছিল। গুজৰাটৰ মুখ্যমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰি থকাৰ সময়ত ৰাজ্যখনে সন্মুখীন হোৱা ভালেমান প্ৰত্যাহ্বান সন্দৰ্ভতো তেওঁ আলোকপাত কৰে। মুখ্যমন্ত্ৰী হিচাপে তেওঁৰ ১৩ বছৰীয়া কাৰ্যকালৰ সময়ত ৰাজ্যখনে সমাজৰ সকলো শ্ৰেণীৰ লোকৰ সমৃদ্ধিৰ হকে **সবকা ছাথ, সবকা বিকাশ**ৰ আদৰ্শৰ এটা উদ্ভাসিত উদাহৰণ হিচাপে বিবেচিত হৈছিল বুলিও শ্ৰী মোদীয়ে লগতে উল্লেখ কৰে।

প্ৰধানমন্ত্ৰী হিচাপে তেওঁৰ কাৰ্যকাল সন্দৰ্ভত শ্ৰী মোদীয়ে কয় যে বিগত দশকটোত দৰিদ্ৰতা নিৰ্মূল, অৰ্থনৈতিক উত্থান, ষ্টাৰ্টআপ পৰিৱেশ তন্ত্ৰ, মহিলা সৱলীকৰণ আদিকে ধৰি দেশে সন্মুখীন হোৱা বিভিন্ন সমস্যাৰ সমাধান কৰা হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু চত্তিশগড়ৰ মুখ্যমন্ত্ৰী বিষ্ণু দেও ছাই কালি নতুন দিল্লীত এখন বৈঠকত মিলিত হয়। বৈঠকৰ সময়ত শ্ৰীছাইয়ে প্ৰধানমন্ত্ৰীক মুখ্যমন্ত্ৰী আৰু প্ৰধানমন্ত্ৰী দুয়োটা পদবী মিলাই ৰাজহুৱা জীৱনত ২৩ বছৰ সম্পূৰ্ণ কৰাৰ বাবে অভিনন্দন জনায়। তেওঁ চত্তিশগড়ত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত ভালেসংখ্যক বাসগৃহ নিৰ্মাণৰ প্ৰকল্পত অনুমোদন জনোৱা বাবে শ্ৰীমোদীক কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ লগতে প্ৰধানমন্ত্ৰীক বিগত ৯ মাহৰ ভিতৰত ৰাজ্যখনত কৰা উন্নয়নমূলক কামৰ খতিয়ান দিয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যখনত শেহতীয়াকৈ নক্সালৰ বিৰুদ্ধে চলোৱা সফল অভিযান আৰু ৰূপায়ন হৈ থকা উন্নয়নমূলক প্ৰকল্পসমূহৰ অগ্ৰগতিৰ বিষয়েও শ্ৰীমোদীক অৱগত কৰে।

ইপিনে অন্ধ্ৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নাইডুও কালি প্ৰধানমন্ত্ৰীৰ সৈতে এখন বৈঠকত মিলিত হয়। পোলাভাৰাম প্ৰকল্পৰ সংশোধিত খৰচৰ আনুমানিক হিচাপত কেবিনেটে অনুমোদন জনোৱাৰ বাবে তেওঁ প্ৰধানমন্ত্ৰীক ধন্যবাদ জনায় আৰু অন্ধ্ৰপ্ৰদেশৰ উন্নয়নৰ বিষয়ে অৱগত কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত তেওঁ ৰাজ্যখনে সন্মুখীন হোৱা বিত্তীয় প্ৰত্যাহ্বানসমূহৰ জোৰা মৰাত কেন্দ্ৰীয় চৰকাৰৰ সহায়ৰ সন্দৰ্ভত প্ৰধানমন্ত্ৰীৰ সামগ্ৰিক সমৰ্থন আৰু আশ্বাসৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰে। তেওঁ লগতে ৰাজধানী চহৰ অমৰাৱতীলৈ আগবঢ়োৱা সহায়ৰো শলাগ লয়।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত ২০২২ বৰ্ষৰ বাবে ৭০ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাসমূহ প্ৰদান কৰিব। এই উপলক্ষে বিশিষ্ট অভিনেতা মিথুন চক্ৰৱৰ্তীক ভাৰতীয় চলচ্চিত্ৰৰ সৰ্বোচ্চ সন্মান দাদা চাহেব ফাল্কে বঁটাৰে সন্মানিত কৰা হ'ব। কানাড়া ছবি কান্তাৰাত কৰা অনবদ্য অভিনয়ৰ বাবে ঋষভ ছেট্টিক শ্ৰেষ্ঠ অভিনেতাৰ বঁটাৰে সন্মানিত কৰা হব। লগতে নিত্যা মেনেনক তামিল ছবি তিৰুচিত্ৰাম্বলমত আৰু মানসী পাৰেখক গুজৰাটী ছবি কাটছ্ এক্সপ্ৰেছত কৰা মননশীল অভিনয়ৰ বাবে যুটীয়াভাৱে শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা প্ৰদান কৰা হ'ব।

ইপিনে অনিৰুদ্ধ ভট্টাচাৰ্য আৰু পাৰ্থিৱ ধৰে ৰচনা কৰা Kishore Kumar: The Ultimate Biography গ্ৰন্থখনক চলচ্চিত্ৰ ক্ষেত্ৰৰ সৰ্বশ্ৰেষ্ঠ গ্ৰন্থ হিচাপে পুৰস্কৃত কৰা হ'ব। এইবেলি ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাত সৰ্বশ্ৰেষ্ঠ চলচ্চিত্ৰ হিচাপে মালায়ালম চলচ্চিত্ৰ অট্টমক আৰু তথ্য চিত্ৰ শিতানত সৰ্বশ্ৰেষ্ঠ হিচাপে আয়েনাক নিৰ্বাচন কৰা হৈছে। উচায়ি চলচ্চিত্ৰখনৰ বাবে সুৰজ বৰজাত্যক শ্ৰেষ্ঠ পৰিচালক হিচাপে সন্মানিত কৰা হ'ব। সংগীত শিতানত অৰিজিত সিং আৰু বোম্বে জয়শ্ৰীক ক্ৰমে শ্ৰেষ্ঠ পুৰুষ আৰু মহিলা নেপথ্য কণ্ঠশিল্পী বঁটা প্ৰদান কৰা হ'ব। আনহাতে, এমুঠি পুথি, পুনিয়ান ছেলভন-১, কে জিএফ-২, ব্ৰহ্মাস্ত্ৰ, অপৰাজিত, কাবেৰী, অন্তৰ্ধান, দমন আৰু বাঘি দি ধি চলচ্চিত্ৰকেইখনকো বিশেষ বঁটাৰে পুৰস্কৃত কৰা হ'ব।

ooooo

জম্মু-কাশ্মীৰ আৰু হাৰিয়ানাত শেহতীয়াকৈ অনুষ্ঠিত বিধানসভা নিৰ্বাচনৰ ভোটগণনা আজি অনুষ্ঠিত হ'ব। পুৱা ৮ বজাত এই ভোটগণনা আৰম্ভ হ'ব। প্ৰথমে পোষ্টেল বেলটসমূহ গণনা কৰা হ'ব। ভোটগণনা

নিয়াৰিকৈ অনুষ্ঠিত হোৱাৰ বাবে নিৰ্বাচন আয়োগে সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে। আয়োগে ভোটগণনাৰ ট্ৰেণ্ড আৰু ফলাফলসমূহ www.eci.gov.in ৱেবছাইটৰ জৰিয়তে প্ৰকাশ কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা বুলি জানিবলৈ দিছে। ভোটগণনা সুৰক্ষিতভাৱে আৰু সুকলমে সম্পন্ন কৰিবলৈ ৩ তৰপীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হৈছে।

এই ভোটগণনাৰ জৰিয়তে জম্মু-কাশ্মীৰৰ বিধানসভা নিৰ্বাচনত অৱতীৰ্ণ হোৱা ৮৭৩ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰা হ'ব। কেন্দ্ৰীয় শাসিত অঞ্চলটোত ভোটগণনাৰ বাবে ২৮টা কেন্দ্ৰ স্থাপন কৰা হৈছে। ইয়াৰ ভিতৰত কাশ্মীৰত ১০টা ভোটকেন্দ্ৰ স্থাপন কৰা হৈছে। ভোটকেন্দ্ৰ স্থাপন কৰা ঠাইসমূহ হ'ল- শ্ৰীনগৰ, বুদগাম, গন্দেৰবল, বান্দিপোৰা, বাৰামুল্লা, কুপৱাড়া, ছপিয়ান, কুলগাম, পুলৱামা আৰু অনন্তনাগ। জম্মু-কাশ্মীৰৰ ৯০ টা বিধানসভা সমষ্টিৰ বাবে ১৮ ছেপ্তেম্বৰ, ২৫ ছেপ্তেম্বৰ আৰু ১ অক্টোবৰত তিনিটা পৰ্যায়ত ভোটগ্ৰহণ কৰা হৈছিল।

ইপিনে, হাৰিয়ানাত বিধানসভা নিৰ্বাচনৰ ভোটগণনাৰ বাবে ২২ খন জিলাত ৯০টা কেন্দ্ৰ স্থাপন কৰা হৈছে। ৯০ জনীয়া হাৰিয়ানা বিধানসভাৰ বাবে ৫ অক্টোবৰত ভোটগ্ৰহণ কৰা হৈছিল। আজিৰ ভোটগণনাই ৰাজ্যখনৰ বিধানসভা নিৰ্বাচনত অৱতীৰ্ণ হোৱা এহেজাৰ ৩১গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব।

০০০০০

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে কালি মুম্বাইৰ কান্দিৱালীত এটা দক্ষতা বিকাশ কেন্দ্ৰ মুকলি কৰে। ভাৰতীয় উদ্যোগ মহাসংঘ, গ্ৰেটাৰ মুম্বাই পৌৰনিগম আৰু ৰাষ্ট্ৰীয় দক্ষতা বিকাশ নিগমৰ সহযোগত এই কেন্দ্ৰটো স্থাপন কৰা হৈছে। এই উপলক্ষে দিয়া ভাষণত শ্ৰী গোৱেলে কয় যে, এই কেন্দ্ৰটোৱে দক্ষ শ্ৰমিকসকলৰ বৰ্ধিত চাহিদা পূৰণ কৰিবলৈ সক্ষম হ'ব। অহা বছৰ দেশৰ এক লাখৰো অধিক প্ৰাৰ্থীৰ বাবে কেন্দ্ৰই নিয়োগৰ সুযোগ সৃষ্টি কৰাৰ সম্ভাৱনাৰ বিষয়ে উল্লেখ কৰি শ্ৰী গোৱেলে কয় যে, এই কেন্দ্ৰটোৱে উদ্যোগপতি আৰু প্ৰশিক্ষণ কাৰ্যসূচীৰ মাজত অংশীদাৰিত্ব বৃদ্ধিৰে শিক্ষা আৰু প্ৰকৃত বিশ্ব নিয়োগ দক্ষতাৰ মাজত থকা ব্যৱধান দূৰ কৰিবলৈ সক্ষম হ'ব। অনুষ্ঠানত উপস্থিত থাকি ৰাষ্ট্ৰীয় দক্ষতা বিকাশ নিগমৰ কাৰ্যকৰী উপসভাপতি অজয় কুমাৰ ৰায়নাই কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ গোলকীয় দক্ষতাৰ ৰাজধানী হিচাপে পৰিণত হোৱাৰ দিশে ভাৰতৰ যাত্ৰাৰ ক্ষেত্ৰত কালিৰ এই দিনটো এটা মাইলৰ খুঁটি হিচাপে বিবেচিত হ'ব। নতুনকৈ স্থাপন হোৱা বৃত্তিমুখী প্ৰশিক্ষণ প্ৰতিষ্ঠানটোৱে প্ৰাৰম্ভিক পৰ্যায়ত ফেশ্বন প্ৰযুক্তি, এ চি আৰু ৰেফ্ৰিজাৰেছন, গেমিং আৰু এনিমেশ্যনৰ লগতে তথ্য আৰু ছাইবাৰ সুৰক্ষাকে ধৰি কেইবাটাও খণ্ডত বিশেষ হ্ৰস্যকালীন প্ৰশিক্ষণ প্ৰদান কৰিব।

০০০০০

পঞ্চায়তীৰাজ মন্ত্ৰালয় আৰু জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ যুটীয়া উদ্যোগত জবলপুৰত আজিৰে পৰা বন অধিকাৰ আইন আৰু অনুসূচীত লোকৰ প্ৰাধান্য থকা অঞ্চললৈ পঞ্চায়ত সম্প্ৰসাৰণ আইন বিষয়ক প্ৰশিক্ষকসকলৰ বাবে প্ৰশিক্ষণৰ দুদিনীয়া ৰাষ্ট্ৰীয় কৰ্মশালা অনুষ্ঠিত হ'ব। দুয়োটা মন্ত্ৰালয়ে ইয়াৰ জৰিয়তে জনজাতি সম্প্ৰদায়ৰ লোকসকলৰ সামৰ্থ বৃদ্ধি আৰু প্ৰশিক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। বিশেষকৈ অনুসূচীত লোকৰ প্ৰাধান্য থকা অঞ্চললৈ পঞ্চায়ত সম্প্ৰসাৰণ আইনৰ অধীনত সামৰি গ্ৰাম সভাসমূহক শক্তিশালী কৰাৰ লগতে বন অধিকাৰ আইনৰ সঠিক ৰূপায়ণৰ উদ্দেশ্যে জিলা পৰ্যায়ৰ কমিটি, মহকুমা পৰ্যায়ৰ কমিটি আৰু নিৰ্বাচিত পঞ্চায়ত প্ৰতিনিধিসকলক প্ৰশিক্ষণ প্ৰদানৰ উদ্দেশ্য এই কৰ্মশালাৰ আয়োজন কৰা হৈছে।

00000

ভাৰতীয় পুৰুষ ক্ৰিকেট দলটো চলিত টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত কাইলৈ বাংলাদেশৰ মুখামুখি হ'ব। খেলখন নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। সূৰ্যকুমাৰ যাদৱ নেতৃত্বাধীন ভাৰতীয় দলটো ইতিমধ্যে তিনিখন খেলৰ শৃংখলাত ১-০ ফলাফলেৰে আগবাঢ়ি আছে। দেওবাৰে অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন খেলত ভাৰতে আলহী দলটোৰ বিৰুদ্ধে ৭ উইকেটত বিজয় সাব্যস্ত কৰিছিল।

00000

ফিনলেণ্ডৰ ভাণ্টাত আজিৰে পৰা চলিত বৰ্ষৰ আৰ্কটিক অপনে বেডমিণ্টন প্ৰতিযোগিতা আৰম্ভ হ'ব। অহা ১৩ অক্টোবৰত ৬ দিনীয়া এই প্ৰতিযোগিতাৰ সামৰণি পৰিব। পেৰিছ অলিম্পিকৰ পাছত ভাৰতৰ বেডমিণ্টন তাৰকা পি ভি সিন্ধু আৰু লক্ষ্য সেন প্ৰথমবাৰৰ পুনৰ প্ৰতিযোগিতাত নামিব। তদুপৰি অনুপ শ্ৰীধৰ আৰু কোৰিয়াৰ লী ছিউন ইলৰ অধীনত নতুনকৈ প্ৰশিক্ষণ লাভ কৰাৰ পাছত পি ভি সিন্ধুৰ এয়া হ'ব প্ৰথমখন প্ৰতিযোগিতা। ১২ জনীয়া সদস্যৰ ভাৰতীয় দলটোত কিদাম্বি শ্ৰীকান্তো আছে।

00000

আই চি চি মহিলা টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰৰ শ্বাৰজাহ ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া গ্ৰুপ এ-ৰ এখন খেলত অষ্ট্ৰেলিয়া নিউজিলেণ্ডৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া ৭:৩০ বজাত আৰম্ভ হ'ব। দুয়োটা দলে প্ৰতিযোগিতাৰ নিজৰ প্ৰথমখন খেলত জয়লাভ কৰিছে আৰু সেয়েহে তেওঁলোকে এই জয়ৰ ধাৰা অব্যাহত ৰাখিবলৈ আপ্ৰাণ চেষ্টা কৰিব।

ইয়াৰ পূৰ্বে কালি শ্বাৰজাহত অনুষ্ঠিত এখন খেলত ইংলেণ্ডে দক্ষিণ আফ্ৰিকাক ৭ উইকেটত পৰাস্ত কৰে। খেলখনত প্ৰথমে বেট ধৰি দক্ষিণ আফ্ৰিকাই নিৰ্ধাৰিত বিশ অভাৰত ১২৪ ৰান কৰিবলৈ সক্ষম হয়। দলটোৰ হৈ অধিনায়ক ল'ৰা উলভাৰ্ডে সৰ্বাধিক ৪২ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ইংলেণ্ডে চাৰিটা বল বাকী থকা অৱস্থাত ৩টা উইকেট হেৰুৱাই বিজয় লক্ষ্য অতিক্ৰম কৰে। ইংলেণ্ডৰ ছফী এক্লেষ্টনে প্লেয়াৰ অৱ দ্য মেচ বঁটা লাভ কৰে।00000

00000

**সমাপ্ত**